# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি বিশ্বনাথ, ডিব্ৰুগড় আৰু নগাঁও জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

**বৰপেটা** জিলাত এই উপলক্ষে অনুষ্ঠিত বিশেষ কাৰ্যসূচীত পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। অসমক ভাৰতৰ শ্ৰেষ্ঠ ৰাজ্যত অন্তৰ্ভুক্ত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত চৰকাৰে তেওঁলোকক যথাযুক্ত সহায় আগবঢ়াব বুলি কয়।

**নগাঁও** জিলাত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে বিভিন্ন হিতাধিকাৰীক মাইক্ৰ'ফাইনেন্সৰ ঋণ মুক্তিৰ প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে জিলাখনৰ বান ক্ষতিগ্ৰস্ত লোকক আৰ্থিক সাহায্যৰ চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। তদুপৰি মন্ত্ৰীগৰাকীয়ে আত্মসহায়ক গোটৰ দ্বাৰা পৰিচালিত বিভিন্ন ক্ষুদ্ৰ উদ্যোগসমূহক উদগণিমূলক সাহায্যৰ চেকো বিতৰণ কৰে।

ইফালে **লখিমপুৰত** আয়োজিত বিকাশৰ ১২ দিন কাৰ্যসূচীত মন্ত্ৰী ৰূপেশ গোৱালাই জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন আঁচনিৰ পুৰস্কাৰসমূহ বিতৰণ কৰে।

**বিশ্বনাথ** জিলাৰ কমলাকান্ত ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিভিন্ন আঁচনিৰ বঁটাসমূহ বিতৰণ কৰাৰ লগতে মন্ত্ৰী শ্ৰীসিংহলে জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। ডিব্ৰুগড় জিলাৰ মানকটা পূজা ফিল্ডত অনুষ্ঠিত বিকাশৰ ১২ দিন কাৰ্যসূচীত শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে।

ooooo

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবৰ উন্নয়নত প্ৰভূত গুৰুত্ব প্ৰদান কৰা হৈছে। যোৱা ১০ বছৰ উত্তৰ-পূবৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি মন্তব্য কৰি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে বিনিয়োগকাৰীসকলক উত্তৰ-পূবত বিনিয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰিছে। অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰচেষ্টাসমূহৰ ফলত অঞ্চলটোত বিকাশৰ গতি ত্বৰান্বিত হৈছে বুলি কয়।

উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক আৰু সামাজিক প্ৰগতি দেশৰ অন্যান্য অঞ্চলসমূহৰ সমতূল্য কৰাতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ মূল উদ্দেশ্যসমূহৰ অন্যতম বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে।

*(বাইট)*

বৈঠকত অংশগ্ৰহণ কৰি উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই গৃহমন্ত্ৰী অমিত শ্বাহে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহে অঞ্চলটোত উগ্ৰবাদ হ্ৰাস কৰাত মুখ্য ভূমিকা লৈছে বুলি মত প্ৰকাশ কৰে। শ্ৰীসিন্ধিয়াই কয়, যে বিগত সময়ত অঞ্চলটোত উগ্ৰবাদী কাৰ্যকলাপ পূৰ্বৰ তুলনাত ৭১ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে এনে কাৰ্যকলাপত মৃত্যুৰ সংখ্যাও ৬০ শতাংশলৈ কমিছে।

ooooo

নগাঁও জিলাৰ ধৰমতুলত আজি পুৱা দেহাৱসান ঘটা গণ শিল্পী সূৰ্য দাসৰ অন্ত্যেষ্টিক্ৰিয়া কিছু সময় পাছতে নৰগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব। আজি তেওঁৰ নশ্বৰ দেহ গুৱাহাটীৰ গণেশ মন্দিৰ পথৰ বাসগৃহলৈ অনাৰ পাছত বহু লোকে তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। **মানুহ দেখিছো আজি, বহুত মানুহ, চাপ্ৰা বহু দূৰ**... আদি কেইবাটাও গীতেৰে জনতাৰ শিল্পী হৈ উঠা সূৰ্য দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৬ বছৰ।

অসম সাহিত্যসভাৰ বিষ্ণু ৰাভা বঁটাকে ধৰি ভালেমান বঁটা আৰু সন্মানেৰে সন্মানিত সূৰ্য দাসৰ গীতসমূহত প্ৰচ্ছন্ন জাতীয়তাবোধ আৰু মানৱ প্ৰেমৰ প্ৰতিফলন দেখা যায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মৰিগাওঁ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বহু ব্যক্তি আৰু দল সংগঠনে শিল্পাগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

ooooo

কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলত মেলেৰিয়াত আক্ৰান্ত লোকৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে এই অঞ্চলসমূহক **হটস্পট** হিচাপে ঘোষণা কৰিছে। জিলাখনৰ লুংচুং, সৰলপাৰা আৰু উল্টাপানীকে ধৰি অঞ্চলসমূহক হটস্পট হিচাপে চিনাক্ত কৰা হৈছে। ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰে জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাবৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনক ২৮ হাজাৰ ৫০০ খন ঔষধযুক্ত আঁঠুৰা যোগান ধৰে। শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক তথা মুৰব্বী এন কে বৰুৱাই জিলা আয়ুক্ত মাছান্দা এম মাৰ্টিনক কালি এই আঁঠুৰাসমূহ প্ৰদান কৰে। জিলা প্ৰশাসনে তৈল প্ৰতিষ্ঠানটোক এনে পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা জানুৱাৰী মাহত পক্ষী গণনা আৰম্ভ হ'ব। স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ বিষয়ে তথ্য সংগ্ৰহ কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে এই গণনা কৰা হয়। উল্লেখযোগ্য যে, সম্প্ৰতি কাজিৰঙাৰ নদী, বিল, জলাশয়সমূহত ভালেমান পৰিভ্ৰমী পক্ষীৰ আগমন হৈছে। সেয়েহে এই গণনাত বিভিন্ন প্ৰজাতিৰ পক্ষীৰ বিষয়ে তথ্য লাভ কৰিব পৰা যাব বুলি উদ্যানখনৰ বন সংমণ্ডল বিষয়া অৰুণ ভিগনেছে প্ৰকাশ কৰিছে। উদ্যানখনৰ ছহলা, কাৰাছিং, ডোঙা, বৌমাৰী আদি অঞ্চলত পৰ্যটকে নিচেই ওচৰৰ পৰা পৰিভ্ৰমী পক্ষীৰ জাক দৃষ্টিনন্দন ৰূপত প্ৰত্যক্ষ কৰিছে। দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমী আৰু আলোকচিত্ৰ শিল্পীসকলেও পক্ষীৰ আলোকচিত্ৰ সংগ্ৰহৰ বাবে উদ্যানখনত উপস্থিত হৈছে।

ooooo

সমাপ্ত